# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-06-2024
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - - - - - - - - -**

বিজেপিয়ে দলটোৰ জ্যেষ্ঠ নেতা তথা লোকসভাৰ প্ৰাক্তন অধ্যক্ষ ওম বিৰলাক অষ্টাদশ লোকসভাৰ অধ্যক্ষ পদৰ বাবে প্ৰক্ষেপ কৰিছে। আনহাতে, বিৰোধী আই এন ডি আই মিত্ৰজোঁটে কংগ্ৰেছ্ দলৰ কে সুৰেশক অধ্যক্ষ পদৰ প্ৰাৰ্থী হিচাপে বাচনি কৰিছে। দুয়োগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। লোকসভাৰ অধ্যক্ষৰ নিৰ্বাচন কাইলৈ অনুষ্ঠিত হ'ব। ইয়াৰ পূৰ্বে চৰকাৰ আৰু বিৰোধী পক্ষই অধ্যক্ষ পদৰ প্ৰাৰ্থীক লৈ সহমতত উপনীত হোৱাত ব্যৰ্থ হয়। সংসদ ভৱনৰ বাহিৰত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেলে কয় যে কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং, অমিত শ্বাহ আৰু পীয়ুষ গোৱেলে কংগ্ৰেছ্ দলৰ নেতা কে চি বেণুগোপাল আৰু ডি এম কেৰ টি আৰ বালুৰ সৈতে বিষয়টো সন্দৰ্ভত বৈঠকত মিলিত হয় যদিও বিৰোধী পক্ষই শ্ৰী বিৰলাৰ প্ৰতি সমৰ্থন আগবঢ়োৱাৰ পূৰ্বে উপাধ্যক্ষৰ নাম ঘোষণা কৰাৰ দাবীক লৈ অটল হৈ থাকে। শ্ৰী গোৱেলে কয় যে বিৰোধী পক্ষক উপাধ্যক্ষ নিৰ্বাচনৰ সময়ত বিষয়টো লৈ আলোচনা কৰা হ'ব বুলি অৱগত কৰোৱা হয়। তেওঁ কয় যে বিৰোধী পক্ষই অধ্যক্ষৰ নিৰ্বাচনক লৈ আগবঢ়োৱা চৰ্তসমূহ চৰকাৰে প্ৰত্যাখ্যান কৰে। ইফালে, কংগ্ৰেছ্ সাংসদ ৰাহুল গান্ধীয়ে কয় যে বিৰোধী পক্ষ অধ্যক্ষ পদৰ প্ৰাৰ্থীলৈ সমৰ্থন আগবঢ়াবলৈ সাজু কিন্তু এনে হ'লে উপাধ্যক্ষ পদৰ প্ৰাৰ্থীগৰাকী বিৰোধী পক্ষৰ হ'ব লাগিব। সংসদ ভৱন চৌহদত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত তেওঁ কয় যে ৰাজনাথ সিঙে মল্লিকাৰ্জুন খাৰ্গেক সাক্ষাৎ কৰিছে আৰু অধ্যক্ষ পদৰ বাবে সমৰ্থন আগবঢ়াবলৈ আহ্বান জনাইছে।

ইপিনে অষ্টাদশ লোকসভাৰ অধিবেশনৰ আজি দ্বিতীয় দিনাও কেইবাগৰাকীও নৱনিৰ্বাচিত সদস্যই শপত গ্ৰহণ কৰে। ইয়াৰ ভিতৰত এন চি পি শাৰদ পাৱাৰ গোটৰ সুপ্ৰিয়া ছুলে আৰু আমোল খোলে, শিৱসেনা সিন্দে গোটৰ ড ০ শ্ৰীকান্ত সিন্দে, পঞ্জাৱৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা কংগ্ৰেছৰ সাংসদ চৰণজিত সিং চান্নি, শিৰোমণি আকালি দলৰ হৰচিমৰত কৌৰ বাদাল ইত্যাদি অন্যতম। উল্লেখযোগ্য যে কালি ২৬৬ গৰাকী সাংসদে শপত গ্ৰহণ কৰিছিল আৰু বাকী সকলে আজি শপত গ্ৰহণ কৰে। কাইলৈ সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ভাষণ দিব।

০০০০০

অহা ১ জুলাইৰ পৰা দেশত বলৱৎ হ'বলগীয়া নতুন ফৌজদাৰী আইন সন্দৰ্ভত আজি প্ৰেছ্ ইনফৰমেচন ব্যুৰ'ৰ উদ্যোগত উলুবাৰীত থকা অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ত এখন সংবাদমাধ্যমৰ কৰ্মশালা অনুষ্ঠিত হয়। এই অনুষ্ঠানত পি আই বি উত্তৰ-পূৰ্বাঞ্চল মণ্ডলৰ সঞ্চালক প্ৰধান কে সতীশ নাম্বুদিৰিপাড, অসম আৰক্ষীৰ অপৰাধ

অনুসন্ধান শাখাৰ অতিৰিক্ত সঞ্চালক প্ৰধান মুন্না প্ৰসাদ গুপ্তাকে ধৰি কেইবাগৰাকীও ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত ভাষণ দি অতিৰিক্ত সঞ্চালক প্ৰধান শ্ৰীগুপ্তাই কয় যে, নতুন তিনিখন আইন ক্ৰমে ভাৰতীয় ন্যায় সংহিতা, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা আৰু ভাৰতীয় সাক্ষ্য অধিনিয়মৰ জৰিয়তে নাগৰিকক ন্যায় দিয়াৰ প্ৰচেষ্টা হাতত লোৱা হৈছে। নতুন আইনত মহিলা আৰু শিশুৰ বিৰুদ্ধে অপৰাধৰ বাবে বিশেষ অধ্যায় সন্নিবিষ্ট কৰা হৈছে। এই ক্ষেত্ৰত দুমাহৰ ভিতৰত তদন্ত কৰি অভিযোগনামা দাখিল কৰাৰ ব্যৱস্থা ৰখাৰ লগতে শূন্য সহনশীল নীতিৰে গণধৰ্ষণৰ দৰে ঘটনাত জড়িত অভিযুক্তক মৃত্যু দণ্ডৰ বিধান ৰখা হৈছে। নতুন আইনত ইলেকট্ৰনিক মাধ্যমেৰে এজাহাৰ দাখিলৰ ব্যৱস্থা, যিকোনো থানাতেই ভুক্তভোগীয়ে এজাহাৰ দাখিল কৰিব পৰা ব্যৱস্থা, ফৰেনচিক বিজ্ঞান আৰু প্ৰযুক্তিৰ জড়িয়তে তদন্ত কৰা, অডিঅ'-ভিডিঅ' মাধ্যমেৰে স্বীকাৰোক্তি গ্ৰহণ কৰা আদি কেতবোৰ নতুন ব্যৱস্থা সন্নিবিষ্ট কৰা হৈছে।

ooooo

তিনিচুকীয়া জিলাৰ আদালত চৌহদটো উৰণ নিষিদ্ধ অঞ্চল হিচাপে ঘোষণা কৰা হৈছে। জিলাখনৰ আয়ুক্ত স্বপ্নীল পালে এখন জাননীযোগে এই ঘোষণা জাৰি কৰিছে। এই ক্ষেত্ৰত কোনো ব্যক্তিৰ আপত্তি থাকিলে লিখিতভাৱে কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰিবলৈ কোৱা হৈছে।

ooooo

২০২৪-২৫ বৰ্ষৰ শোণিতপুৰ জিলা আন্তঃজিলা ফুটবল প্ৰতিযোগিতা অহা ১ জুলাইৰ পৰা ৩ জুলাইলৈ তেজপুৰৰ মিছন চাৰিআলিৰ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত কৰা হ'ব। ১৫ আৰু ১৭ বছৰ অনূৰ্ধ্বৰ ল'ৰা আৰু ১৭ বছৰ অনূৰ্ধ্বৰ ছোৱালীৰ বাবে অনুষ্ঠিত এই প্ৰতিযোগিতাত পাৰদৰ্শিতাৰ ভিত্তিত খেলুৱৈসকলক পিলিক চৌধুৰী সোঁৱৰণী, দেওকন সোঁৱৰণী আৰু নৃপেন্দ্ৰ নাৰায়ণ সিংহ সোঁৱৰণী ফুটবল প্ৰতিযোগিতালৈ বাছনি কৰা হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

ooooo

যোৰহাটৰ অসম গ্ৰামীণ বিকাশ বেংকৰ মধুপুৰ শাখাত বিত্তীয় অনিয়ম ঘটনাৰ সন্দৰ্ভত কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা চি বি আইয়ে ৪জন বিষয়া-কৰ্মচাৰীৰ বিৰুদ্ধে গোচৰ পঞ্জীয়ন কৰিছে। বেংকৰ এই শাখাত জালিয়াতিৰে ভুৱা আত্মসহায়ক গোটৰ নামত ঋণ প্ৰদান কৰাৰ বাবে বেংকটোৱে ৮ কোটিৰো অধিক টকাৰ লোকচানৰ সন্মুখীন হৈছে। ইতিমধ্যে এই ঘটনা সন্দৰ্ভত চি বি আইয়ে অভিযান চলাই গুৰুত্বপূৰ্ণ তথ্য উদ্ধাৰ কৰিছে বুলি জানিব পৰা গৈছে।

ooooo

সমাপ্ত